Date:
Page No.

আলিটাঙনিত প্ৰ-পত্ৰ জমা লোৱাৰ নামত ধনৰ লেনদেন

# এন আৰ চি সেৱাকেন্দ্ৰত উত্তপ্ত পৰিস্থিতি

আমাৰ খবৰ, বটদ্ৰৱা, ৩০ জুলাই ঃ নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অধীনস্থ বটদ্ৰৱাৰ নিকটৱৰ্তী আলিটাঙনি জামুগুৰি গাঁও পঞ্চায়তৰ এন আৰ চি সেৱাকেন্দ্ৰত প্ৰ-পত্ৰ জমা লোৱাৰ নামত একাংশ দালালে ধন সংগ্ৰহ কৰাৰ প্ৰতিবাদত আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ বিৱৰণী মতে, আলিটাঙনি এন আৰ চি সেৱাকেন্দ্ৰত প্ৰ-পত্ৰ জমা লোৱাৰ নামত ধনৰ লেনদেন সম্পৰ্কত বাতৰি প্ৰকাশ পোৱাৰ পাছত পাঠান উপাধিৰ দালাল চক্ৰটো শংকিত হৈ পৰে। সেৱা কেন্দ্ৰটোৰ বিভিন্ন পৰ্যায়ৰ কৰ্মচাৰীয়ে শৃংখলাবদ্ধভাৱে সেৱা আগবঢ়াই থকাৰ পাছতো আজি উক্ত দালাল চক্ৰটোৱে পুনৰ ডাটাএন্ট্ৰী অপাৰেটৰ টেবুলত ধনৰ বিনিময়ত পাছত অহা প্ৰ-পত্ৰ আগতে কৰি দিব লাগিব বুলি ডাবি-ধমকি দিয়াত সেৱা কেন্দ্ৰৰ কৰ্মচাৰীয়ে ইয়াৰ প্ৰতিবাদ কৰাত তেওঁলোকক বেয়াকৈ গালি-গালাজ কৰাত দুখনকৈ গাঁও পঞ্চায়তৰ দ্বাৰা গঠিত সেৱাকেন্দ্ৰৰ কেইবাজনো কৰ্মচাৰী ওলাই গুচি যোৱাত উপস্থিত ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। উল্লেখ্য যে পঞ্চায়তখনৰ এগৰাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ লগতে পাঠান উপাধিৰ আৰু দুজন দালালে এন আৰ চি প্ৰ-পত্ৰ জমা লোৱাৰ নামত প্ৰতিজনৰ পৰা ২০০ টকা পৰ্যন্ত আদায় কৰি আহিছে। ইয়াৰ লগত ডাটাএন্ট্ৰী অপাৰেটৰৰ দুজন কৰ্মচাৰী জড়িত থকাৰ অভিযোগ উঠিছে। জিলা প্ৰশাসন তথা কৰ্তৃপক্ষই এই দালাল চক্ৰটোক উৎখাত নকৰিলে কাইলৈৰ পৰা সেৱাকেন্দ্ৰৰ কৰ্মচাৰীয়ে কোনো কাম নকৰে বুলি জানিব পৰা গৈছে। আলিটাঙনি অঞ্চলৰ সচেতন ৰাইজে উক্ত চক্ৰটোক উৎখাত কৰিবলৈ দাবী জনাইছে। উল্লেখযোগ্য যে এন আৰ চিৰ প্ৰ-পত্ৰৰ নামত ৰাজ্যৰ বিভিন্ন সেৱাকেন্দ্ৰত এচাম দালালে জনসাধাৰণক বিপথে পৰিচালিত কৰি মুনাফা আদায়ৰ চেষ্টা চলাই আহিছে।

# এন আৰ চি প্ৰ-পত্ৰ দাখিল সম্পৰ্কত চন্দ্ৰপুৰত সভা

মহানগৰ খবৰ, ৩০ জুলাই ঃ এন আৰ চি প্ৰ-পত্ৰ দাখিলৰ কোনো অঞ্চলত যাতে এজনো লোক বৈ নাযায় এই ক্ষেত্ৰত সূক্ষ্ম দৃষ্টি ৰাখিবলৈ কঠোৰ নিৰ্দেশ দিয়ে চন্দ্ৰপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তথা এলেকাটোৰ মুখ্য দায়িত্বত থকা ক্ষিতীশ চন্দ্ৰ পেগুৱে। আজি কামপুৰ, গোবৰ্ধন আৰু চন্দ্ৰপুৰ এন আৰ চি সেৱাত স্থানীয় বি এল অ', গাঁওবুঢ়া আৰু এল আৰ চি আৰসকলৰ একোখনকৈ সভাত এই নিৰ্দেশ দিয়ে বিষয়াজনে। উল্লেখ্য যে বিষয়াগৰাকীয়ে আজি এই তিনিটা কেন্দ্ৰত একেখন সভা অনুষ্ঠিত হয়। সভাত বিষয়াগৰীয়ে প্ৰতিজন বি এল অ'ৰ পৰা নিজ নিজ অঞ্চলৰ প্ৰ-পত্ৰ দাখিল কৰা-নকৰা লোকৰ খতিয়ান লয়। বিষয়াগৰাকীয়ে প্ৰকাশ কৰে যে কেইবাটাও অঞ্চলত প্ৰ-পত্ৰ দাখিল কাৰ্য সন্তোষজনক হৈছে যদিও বহু ঠাইত এতিয়াও বহুখিনি পিছ পৰি আছে। তেনে অঞ্চলসমূহত বি এল অ' আৰু গাঁওবুঢ়াক বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।